**2 SEM FYUGP ASMC2**

**2024**

( May/June )

# ASSAMESE

( Core )

Paper : ASMC2

( অসমীয়া সাহিত্যৰ পৰিচয়মূলক ইতিহাস )

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শন পোনপ্ৰথম ক'ত পোৱা গৈছিল ?

(খ) ড. সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ ইতিহাসক কেইটা ভাগত ভাগ কৰিছে ?

(গ) কোনে পোনপ্ৰথমে অসমীয়া সাহিত্যৰ যুগবিভাজন কৰিছিল ?

(ঘ) 'শূন্য পুৰাণ' কাৰ ৰচনা ?

(ঙ) আদি যুগত অন্তৰ্ভুক্ত যি কোনো এক প্ৰকাৰ সাহিত্যৰ নাম লিখাঁ।

(চ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি বুলি কাক আখ্যা দিয়া হয়?

(ছ) 'অৰুণোদই' সংবাদ-আলোচনীখন কোন চনত প্ৰথম প্ৰকাশ হৈছিল?

(জ) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ হিচাপে প্ৰকাশ কৰা আলোচনীখনৰ নাম লিখাঁ।

২। (ক) উত্তৰকালীন স্তৰৰ অসমীয়া সাহিত্য সম্পৰ্কে পৰিচয়মূলক এটি চমু আলোচনা আগবঢ়োৱাঁ। ১২

অথবা

(খ) শঙ্কৰদেৱৰ সমকালীন অসমীয়া সাহিত্যৰ ৰাজনৈতিক পৃষ্ঠভূমি সম্পৰ্কে আলোচনা কৰাঁ।

৩। (ক) অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

অথবা

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগবিভাজন কৰা যি কোনো এজন পণ্ডিতৰ মতৰ আধাৰত যুগবিভাজনৰ আলোচনা কৰাঁ।

৪। (ক) অসমীয়া সাহিত্যৰ আদি যুগটোৰে সামৰি লোৱা সাহিত্যৰ বিষয়ে পৰিচয়মূলক এটি বৰ্ণনা দাঙি ধৰাঁ। ১২

অথবা

(খ) যুগ-নিৰপেক্ষ অসমীয়া সাহিত্য সম্পৰ্কে থূলমূল পৰিচয় আগবঢ়োৱাঁ।





৫। (ক) প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া সাহিত্যলৈ শংকৰী যুগৰ অৱদান শীৰ্ষক এটি টোকা লিখাঁ।

৬। (ক) অসমীয়া সাহিত্যৰ আধুনিক যুগ বুলি কওঁতে কোনখিনি সময় আৰু সাহিত্যক সামৰি লৈছে, চমুকৈ আলোচনা কৰাঁ। ১৪

অথবা

(খ) অৰুণোদই যুগৰ সাহিত্যৰ বিশেষত্ব সম্পৰ্কে বিৰৰি লিখাঁ।

৭। তলৰ যি কোনো এটা বিষয়ত চমু টোকা লিখাঁ : ৬

(ক) লোকসাহিত্য

(খ) অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান

★★★